অধ্যায় ৩ ঃ এজনীয়া ব্যৱসায় আৰু যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ এজনীয়া ব্যৱসায়ৰ অর্থ
৩.৪ এজনীয়া ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ
৩.৫ এজনীয়া ব্যৱসায়ৰ সুবিধাসমূহ
৩.৬ এজনীয়া ব্যৱসায়ৰ অসুবিধাসমূহ
৩.৭ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়
৩.৮ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট্য
৩.৯ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা
৩.১০ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অসুবিধা
৩.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ
২.১২ অধিক জানিবলৈ
৩.১৩ অগ্রগতিৰ খতিয়ান
৩.১৪ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- এজনীয়া ব্যৱসায়ৰ অর্থ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- এজনীয়া ব্যৱসায়ৰ সুবিধা আৰু অসুবিধাসমূহ বর্ণনা কৰিব পাৰিব
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অর্থ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা আৰু অসুবিধাসমূহ মূল্যায়ন কৰিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টিত আপুনি এজনীয়া ব্যৱসায় আৰু যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বিষয়ে জানিব পাৰিব। এজনীয়া ব্যৱসায় সংগঠনৰ মালিক এজন ব্যক্তিয়েই হয় আৰু তেওঁৰেই ব্যৱসায়টো পৰিচালনা তথা নিয়ন্ত্রণ কৰে। যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত পৰিয়ালৰ সকলো সদস্য জড়িত হৈ থাকে। এই অধ্যায়টিত আপুনি এজনীয়া ব্যৱসায়ৰ বৈশিষ্ট্য, ইয়াৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে জানিব পাৰিব। যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা আৰু অসুবিধাসমূহো এই অধ্যায়ত আলোচনা কৰা হ'ব।

৩.৩ এজনীয়া ব্যৱসায়ৰ অর্থ (MEANING OF SOLE TRADE BUSINESS)

এটা ব্যৱসায় গোট এজন ব্যক্তিৰ দ্বাৰা অধিকাৰী আৰু পৰিচালিত হ'লে তাক এজনীয়া ব্যৱসায় বা ব্যক্তিগত মালিকানাৰ ব্যৱসায় বোলা হয়। ই অতি পুৰণি, সহজ আৰু কিছুমান ক্ষেত্ৰত অতি স্বাভাৱিক আৰ্হিৰ ব্যৱসায় সংগঠন হিচাপে বিৱেচিত হয়। ব্যৱসায় আৰম্ভ কৰা ব্যক্তিজনেই তেওঁৰ ব্যৱসায়ৰ বাবে মূলধন যোগান ধৰে, তেওঁৰ নিজৰ কৌশল, নিপুণতা আৰু বুদ্ধিমত্তা ব্যৱসায়ৰ কাম-কাজ পৰিচালনাত নিয়োগ কৰে। ইয়াৰ কাম-কাজৰ ফলাফলৰ বাবে তেওঁ অকলে দায়ী হৈ থাকে। যেতিয়া ব্যৱসায়ৰ গোটেই কাম-কাজবোৰ তেওঁ অকলে চম্ভালিব নোৱাৰা হয় তেতিয়া তেওঁ আনৰ সহায় লয়। এনেদৰে সহায় কৰা ব্যক্তিক কাম কৰা বাবদ পাৰিশ্ৰমিক হিচাপে তেওঁ দৰমহা দিয়ে। এই সংগঠনৰ অধীনত চলোৱা ব্যৱসায় সাধাৰণতে সৰু ঠাইতে সীমাবদ্ধ হৈ থাকে। কিয়নো এজন ব্যক্তিয়ে অকলে বহল পৰিসৰত ব্যৱসায় বিস্তাৰ কৰিবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়।

৩.৪ এজনীয়া ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ (FEATURES OF SOLE TRADE BUSINESS)

এজনীয়া ব্যৱসায় সংগঠনৰ মুখ্য বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১। **পৃথক আইনগত অস্তিত্ববিহীনতা (No Separate Legal Existence) ঃ** এজনীয়া ব্যৱসায় সংগঠনত যিজন ব্যক্তিৰ অধীনত ব্যৱসায়টো থাকে তেওঁৰ পৰা ব্যৱসায়টোৰ পৃথক আইনগত অস্তিত্ব তথা সত্তা নাথাকে। আইনৰ চকুত তেওঁৰ ব্যৱসায়টো তেওঁৰ এক প্ৰকাৰ ব্যক্তিগত সম্পত্তি হিচাপে গণ্য কৰা হয়। সেয়ে ব্যৱসায়ৰ সকলোবোৰ সুবিধা আৰু বোজা, পুৰস্কাৰ আৰু সম্ভাব্য বিপদ-আপদ ব্যৱসায়ৰ গৰাকীজনেই অকলে বহন কৰিব লাগে।

২। **মূলধনৰ যোগান (Capital Contribution) ঃ** এজনীয়া ব্যৱসায় সংগঠনত মালিকজনে অকলেই তেওঁৰ ব্যৱসায়ৰ বাবে প্ৰয়োজন হোৱা সমুদায় মূলধন আৰু ব্যৱসায় আৰম্ভ কৰোতে আৰু ব্যৱসায়ৰ পিছৰ কামকাজ চলাই নিওঁতে আৱশ্যক হোৱা আন সকলোবোৰ সম্পদ সংগ্ৰহৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে প্ৰয়োজন সাপেক্ষে তেওঁ মুক্তভাৱে ধন ধাৰ কৰিব পাৰে।


৩। **পৰিচালনা আৰু নিয়ন্ত্ৰণ (Management and Control) ঃ** ব্যক্তিগত ব্যৱসায়ীজনৰ ব্যৱসায়ৰ সমস্ত কাম-কাজৰ ওপৰত সম্পূৰ্ণ আইনসন্মত অধিকাৰ থাকে। ইয়াৰ কাম-কাজসমূহ সম্পূৰ্ণকৈ তেওঁৰ নিজৰ বিচক্ষণতা আৰু সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰে। ব্যৱসায়টোৰ সকলো ক্ষেত্ৰতে তেৱেঁই হৈছে একমাত্ৰ একচ্ছত্ৰী শাসনকৰ্তা। ব্যৱসায় প্ৰৱৰ্তক, বিত্তৰ যোগান ধৰোতা আৰু পৰিচালক হিচাপে তেওঁ

নিজৰ ভিতৰতে বিভিন্ন সামৰ্থ্য একত্রিত কৰিব লাগে। তেওঁ ব্যৱসায় চলাওঁতে প্রয়োজন হোৱা কোনো সিদ্ধান্ত লওঁতে বা কর্ম সম্পাদন কৰোঁতে তেওঁ কাৰো দিহা-পৰামর্শ লোৱাৰ প্রয়োজন নহয়।

৪। **লাভ বণ্টন (Profit Sharing) ঃ** এজনীয়া ব্যৱসায়ত অর্জন কৰা লাভ ব্যৱসায়ীজনে তেওঁ আন কোনো ব্যক্তিৰ লগত ভাগবটৰা কৰিব নালাগে। ব্যৱসায়ৰ সমুদায় ৰাহি তেওঁ অকলে ভোগ কৰে। সেইদৰে ব্যৱসায়ত হোৱা লোকচানো তেওঁ অকলেই বহন কৰিব লাগে।

৫। **দেনাদায়িত্ব (Liabilities) ঃ** এজনীয়া ব্যৱসায়ৰ মালিকজনৰ দেনা অসীম। আন কথাত ক'বলৈ গ'লে তেওঁৰ ব্যৱসায়ৰ পাওনাদাৰসকলৰ দাবী সম্পূর্ণকৈ নিষ্পত্তি কৰিবৰ বাবে মালিকজনৰ ব্যক্তিগত সম্পত্তিও সংলগ্ন কৰাৰ অধিকাৰ আছে। গতিকে, তেওঁৰ তৃতীয় পক্ষৰ ওচৰত থকা দেনা কেৱলমাত্র তেওঁৰ ব্যৱসায়ৰ সম্পত্তিৰ পৰিমাণতে সীমাবদ্ধ হৈ নাথাকে।

৬। **স্থিৰতা (Stability) ঃ** এই ধৰণৰ ব্যৱসায় সংগঠনৰ জীৱন কাল চুটি হয়। কিয়নো প্রায়বোৰ ক্ষেত্রতে ব্যৱসায়ীজনৰ মৃত্যু বা স্থায়ীভাৱে অক্ষম আদি হ'লে ব্যৱসায়টোৰ পৰিসমাপ্তি ঘটে। বিশেষকৈ মালিকজনে যদি ব্যৱসায়লৈ তেওঁৰ আৱশ্যকীয় ব্যক্তিগত সেৱা আগবঢ়ায় তেনেহ'লে তেনে মালিকজনৰ অনুপস্থিতিত ব্যৱসায়টোৰ অৱসান হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলৰ উক্তিসমূহ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

১) এজনীয়া ব্যৱসায় দুজন ব্যক্তিয়ে আৰম্ভ কৰে।

২) এজনীয়া ব্যৱসায়ৰ পৃথক আইনগত সত্বা নাই।

৩) এজনীয়া ব্যৱসায়ৰ মালিকজনৰ দেনা সীমিত।

৪) এজনীয়া ব্যৱসায়টো ইয়াৰ মালিকে পৰিচালনা কৰে।

৩.৫ এজনীয়া ব্যৱসায়ৰ সুবিধাসমূহ (ADVANTAGES OF SOLE-TRADE BUSINESS)

আন আর্হিৰ সংগঠনৰ তুলনাত এজনীয়া ব্যৱসায় সংগঠনৰ নিম্নলিখিত সুবিধাসমূহ আছে—

১। **সহজে গঠন কৰাৰ সুবিধা (Easy Formation) ঃ** এই আর্হিৰ ব্যৱসায় সংগঠনৰ গঠনত কোনো আইনগত কঠোৰ নীতি-নিয়ম অনুসৰণ কৰিব নালাগে।

২। **কামৰ সৰলতা (Simple to Work) ঃ** এই আর্হিৰ সংগঠন আইনগত প্রতিবন্ধকতাৰ পৰা মুক্ত। ব্যৱসায়ৰ দৈনন্দিন কাম-কাজসমূহ কৰি যাবলৈ ইয়াত অতি সহজ। গতিকে ইয়াক অতি সৰল আর্হিৰ ব্যৱসায় সংগঠন বুলি বিবেচনা কৰা হয়।

৩। **ব্যৱসায়ৰ গোপনীয়তা সংৰক্ষণ (Maintaining Business Secrets) ঃ** এই আৰ্হিৰ ব্যৱসায় সংগঠনৰ আনটো গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে যে ইয়াত ব্যৱসায়ৰ গোপনীয়তা সম্পূৰ্ণভাৱে সংৰক্ষণ কৰা হয়। সেয়েহে কোনো বিশেষ বা অনন্য ৰহস্যৰ সন্ধান, উপায় বা ব্যৱসায়ীজনৰ বিশেষ কৌশল, কাৰ্যদক্ষতা, বিচক্ষণতা আৰু দূৰদৰ্শিতা আদিৰ জৰিয়তে উদঘাটন কৰা পদ্ধতিৰ বিষয়ে প্ৰতিযোগীসকলে সহজে আয়ত্ত কৰিব নোৱাৰে।

৪। **খৰতকীয়া সিদ্ধান্ত (Quick Decisions) ঃ** ইয়াত সকলোবোৰ সিদ্ধান্ত অতি সোনকালে ল'ব পাৰি; কিয়নো ব্যৱসায়ীজনে আন বহু মানুহৰ লগত পৰামৰ্শ কৰি তেওঁৰ সময় অনাহকত নষ্ট কৰাৰ প্ৰয়োজন নহয়। সময়ে সময়ে বজাৰৰ অৱস্থাৰ পৰিবৰ্তনৰ ফলত উদ্ভৱ হোৱা লাভৰ সুবিধা গ্ৰহণ কৰিবৰ বাবে তেওঁ অতি খৰতকীয়া আৰু বেছি দক্ষতাৰে সিদ্ধান্ত ল'ব পাৰে।

৫। **পৰিচালনাৰ উৎসাহ (Managerial Motivation) ঃ** ব্যৱসায়ীজনে ব্যৱসায়ৰ সকলোবোৰ লাভ অকলে গ্ৰহণ কৰে। সেয়ে এইটো স্বাভাৱিক যে মালিকজনে তেওঁ সমস্ত প্ৰচেষ্টা ব্যৱসায়ত প্ৰয়োগ কৰিবৰ বাবে প্ৰেৰণা পায়। গতিকে ইয়াত প্ৰচেষ্টা আৰু পুৰস্কাৰৰ প্ৰত্যক্ষ সম্বন্ধ থকা বাবে ব্যৱসায়ীজনে যথেষ্ট অনুপ্ৰেৰণা পায় আৰু তেওঁৰ ব্যৱসায়টোৰ বাবে কঠোৰ পৰিশ্ৰম কৰে আৰু অতি দক্ষতাৰে ব্যৱসায়টো পৰিচালনা কৰে।

৬। **অন্তৰংগ ব্যৱসায়িক সংযোগ (Close Business Links) ঃ** এই আৰ্হিৰ সংগঠনৰ আকাৰ যিহেতু ক্ষুদ্ৰ হয় সেয়ে গ্ৰাহকৰ লগত নিবিড় সম্বন্ধৰ বাবে ব্যৱসায়ৰ মালিকে তেওঁৰ গ্ৰাহকৰ ৰুচি, অভ্যাস আৰু তেওঁলোকৰ বিশেষ প্ৰৱণতা আদিৰ বিষয়ে সহজে অনুমান কৰিব পাৰে। ইয়াৰ ফলত তেওঁ তেওঁৰ ব্যৱসায়ৰ সুনাম আৰু সুখ্যাতি অৰ্জন কৰিব পাৰে।

৭। **কৰ্মচাৰীৰ লগত সুস্থ সম্পৰ্ক (Healthy Relations With Employees) ঃ** ব্যৱসায়ৰ মালিক আৰু কৰ্মচাৰীৰ লগত অন্তৰংগ বন্ধুত্বপূৰ্ণ সম্বন্ধৰ কাৰণে তেওঁ সকলো স্তৰৰ কৰ্মচাৰীৰ লগত আন্তৰিক সম্বন্ধ বাহাল ৰখাত সহজ হয়। তেওঁ কৰ্মচাৰীসকলৰ ক্ষোভসমূহ সৌহাদ্যপূৰ্ণভাৱে অতি সোনকালে আৰু সহজে সমাধা কৰিব পাৰে।

৮। **পৰিচালনাত মিতব্যয়িতা (Economy in Management) ঃ** এজনীয়া ব্যৱসায়ত ব্যৱসায়ীজনে অকলেই গোটেই ব্যৱসায়টো চোৱাচিতা কৰিব পাৰে। কেৱলমাত্ৰ কিছুমান অস্বাভাৱিক ক্ষেত্ৰত তেওঁ অন্তৰংগ বন্ধু, আত্মীয় কুটুম্বৰ সহায় লয় আৰু কেতিয়াবা এজন বা ততোধিক বিশেষজ্ঞৰ সহায় লয়। সেয়ে এজনীয়া ব্যৱসায়ৰ পৰিচালনা সংক্ৰান্ত ব্যয়ৰ পৰিমাণ তুলনামূলকভাৱে কম।

৯। **অসীম দেনা-এক আশীৰ্বাদ (Unlimited Liability - A boon) ঃ** প্ৰকৃততে অসীম দেনাই ব্যৱসায়ৰ মালিকৰ বাবে এক কৰ্মশক্তিৰ উৎস হিচাপে কাম কৰে। কিয়নো ই ব্যৱসায়ৰ লোকচানৰ আকস্মিক দুৰ্দশা পৰিহাৰ কৰিবৰ বাবে ব্যৱসায়ীজনক সক্ৰিয়, নিজ উদ্যম আৰু দৃঢ় সংকল্পভাৱে কাম কৰিবৰ বাবে সংকল্প ল'বলৈ উৎসাহ যোগায়। তদুপৰি এইটো দাবী কৰা হয় যে অসীম দেনাই পাওনাদাৰসকলৰ মনত আত্মবিশ্বাস জন্মাই যাতে ব্যৱসায়ৰ মালিকে তেওঁৰ ব্যৱসায় চলাই যাবৰ বাবে যথেষ্ট পৰিমাণৰ পুঁজি ধাৰ কৰিবলৈ সক্ষম হয়।

১০। **স্বনিয়োজন (Self Employment) ঃ** যিসকল ব্যক্তিয়ে আনৰ অধীনত কাম কৰিবলৈ নিবিচাৰে সেইসকল ব্যক্তিৰ কাৰণে এজনীয়া ব্যৱসায় সংগঠনে জীৱন নিৰ্বাহৰ সুবিধা প্ৰদান কৰি জীৱন-ধাৰণৰ নিৰ্ভয় প্ৰদান কৰে। এজনীয়া ব্যৱসায়ী প্ৰতিষ্ঠান আৰম্ভ কৰি ব্যক্তিসকলে তেওঁলোকৰ জীৱিকা সহজে চলাই নিব পাৰে। সেই কাৰণেই সামাজিক দিশৰ পৰা এজনীয়া ব্যৱসায় সংগঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

৩.৬ এজনীয়া ব্যৱসায়ৰ অসুবিধাসমূহ (DISADVANTAGES OF SOLE-TRADE BUSINESS)

এই আৰ্হিৰ ব্যৱসায়িক সংগঠনে ভোগ কৰা প্ৰায়বোৰ অসুবিধাই মালিকৰ সীমিত সম্পদ, পণ্যদ্ৰব্য আৰু মানসিক অৱস্থাৰ লগত কেন্দ্ৰীভূত। ইয়াৰে কিছুমান অসুবিধা তলত আলোচনা কৰা হ'ল—

১। **সীমিত মূলধন আৰু অপৰ্যাপ্ত সম্পদ (Limited Captial and Insufficient Resources) ঃ** এই আৰ্হিৰ ব্যৱসায়ৰ মালিকজনে ব্যৱসায়ৰ পুঁজিৰ বাবে তেওঁৰ নিজৰ সঞ্চয়ৰ ওপৰতে প্ৰধানকৈ নিৰ্ভৰ কৰিব লাগে। কিয়নো বেংক বা অন্যান্য वित्तীয় প্ৰতিষ্ঠানৰ পৰা ধন ধাৰ কৰাটো তেওঁৰ বাবে অতি কঠিন আৰু ব্যয়বহুল হয়। তেওঁৰ বাবে ব্যৱসায়টো প্ৰসাৰ কৰাটো দুঃসাধ্য হৈ পৰে যদিও পৰিবৰ্তিত সময় আৰু পৰিস্থিতিত তেওঁৰ ব্যৱসায়টোৰ প্ৰসাৰ কৰাটো প্ৰয়োজন হৈ পৰে। সেয়ে সীমিত পুঁজিৰ বাবে তেওঁ ব্যৱসায় প্ৰসাৰণৰ পৰা উদ্ভৱ হ'ব পৰা আৰ্থিক সুবিধাসমূহ আয়ত্ব কৰিব নোৱাৰে।

২। **সীমিত দেনাৰ ভয় (The Threat of Limited Liability) ঃ** ব্যৱসায়ৰ লোকচানৰ বাবে ব্যৱসায়ীজনৰ ব্যক্তিগত সম্পত্তি হেৰুৱাৰ ভয়ে তেওঁক সদায় আঘাত হানি থাকে। ইয়াৰ ফলত তেওঁ অত্যধিক সাৱধান আৰু নিষ্ঠাৱান হ'বলৈ চেষ্টা কৰে। বাস্তৱিকতে, ব্যৱসায় সম্প্ৰসাৰণ কৰাৰ প্ৰয়োজন থকা সত্ত্বেও তেওঁ ব্যৱসায় সম্প্ৰসাৰণ কৰাৰ বাবে নিৰ্ভিক সিদ্ধান্ত ল'ব নোৱাৰে।

৩। **পৰিচালনা সংক্ৰান্ত যোগ্যতাৰ সীমাবদ্ধতা (Limitation of Managerial Ability)ঃ** আধুনিক যুগৰ ব্যৱসায় জটিলতাৰে পৰিপূৰ্ণ। বিশেষকৈ বজাৰৰ প্ৰকৃতিৰ ক্ষিপ্ৰ পৰিবৰ্তন আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ দৈনন্দিন কাম-কাজক নিয়ন্ত্ৰণ কৰা নীতি-নিয়ম আৰু বিধানসমূহৰ অবিৰাম পৰিবৰ্তনে জটিলতাৰ পৰিমাণ ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। ইয়াৰ পৰিণামস্বৰূপে উচ্চ পৰ্যায়ৰ পৰিচালনাৰ যোগ্যতাৰ প্ৰয়োজন। কিন্তু এজন মানুহৰ ভিতৰত এই সকলোবোৰ পাবলৈ আশা কৰাটো অতি কঠিন কাম। এইটো এই কাৰণেই হয় যে ব্যৱসায়ীজনে সদায়ে বিত্তীয়, ক্ৰয়, বিক্ৰী, বিজ্ঞাপন, চিঠি-পত্ৰ লিখালিখি কৰা, হিচাপৰক্ষণ কৰা আদি বহুসংখ্যক কামৰ অধিক বোজাৰে ভাৰাক্ৰান্ত হৈ থাকে। এজন ব্যক্তিক এই সকলোবোৰ ক্ষেত্ৰতে পাৰ্গত হ'ব বুলি আশা কৰিব নোৱাৰি। তেওঁ সকলোবোৰ ক্ষেত্ৰ অতি দক্ষতাৰে পৰিচালনা কৰিব নোৱাৰে আৰু সেয়ে তেওঁ লোৱা সিদ্ধান্তসমূহ কেতিয়াবা সন্তুলিত বুলি প্ৰমাণিত নহ'ব পাৰে। ফলস্বৰূপে এজনীয়া ব্যৱসায় সংগঠন শ্ৰমবিভাজন আৰু বিশেষীকৰণৰ অভাৱত ভোগা দেখা যায়।

৪। **দুৰ্বল দৰাদৰি ক্ষমতা (Weak Bargaining Capacity) ঃ** প্ৰায়ে দেখা যায় যে এজনীয়া ব্যৱসায়ীৰ কাম-কাজৰ পৰিমাণ আৰু কাৰ্যক্ষেত্ৰ অতি সীমিত হোৱা বাবে তেওঁ বজাৰত ক্ৰেতা আৰু বিক্ৰেতা হিচাপে কোনো নিয়ন্ত্ৰণমূলক প্ৰভাৱ পেলাব নোৱাৰে বা পেলোৱাটো কঠিন হৈ পৰে। গতিকে বজাৰৰ অৱস্থাৰ সামান্যতম পৰিবৰ্তন হ'লেই তেওঁ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়।

৫। **ব্যৱসায়ৰ অনিশ্চয়তা (Uncertainty of Business) ঃ** এজনীয়া ব্যৱসায়ীয়ে অস্থিৰতাৰ সমস্যাত ভুগে। এনে ব্যৱসায় এক দীৰ্ঘকালৰ বাবে চলিব বুলি আশা কৰিব নোৱাৰি। মালিকৰ উন্মাদতা, স্থায়ীভাৱে শাৰীৰিক অক্ষমতা বা মৃত্যু হ'লে ব্যৱসায়টো অকস্মাৎ বন্ধ হৈ যাব পাৰে। তেওঁ ব্যৱসায়টোৰ বাবে যিমানখিনি মনোযোগ দিয়ে সিমান মনোযোগ তেওঁৰ উত্তৰাধিকাৰীয়ে নিদিবও পাৰে বা দিবলৈ সক্ষম নহ'বও পাৰে। এই অৱস্থাই গ্ৰাহকক বেছিকৈ হতাশ কৰি তোলে। ইয়াৰ ফলত ব্যৱসায়ৰ সুনাম আৰু অতীতৰ বছৰসমূহৰ কষ্টৰ যোগেদি অৰ্জন কৰা সুখ্যাতি বিপন্ন কৰে আৰু অৱশেষত ইয়াৰ ফলত ব্যৱসায় বন্ধ হৈ যোৱাৰ পথত অগ্ৰসৰ হয়।

৬। **সীমাবদ্ধ বৃদ্ধি (Restricted Growth) ঃ** এজনীয়া ব্যৱসায়ীৰ সীমিত পৰিমাণৰ মূলধন আৰু ক্ষমতাৰ পুঞ্জীভূত ঋণাত্মক প্ৰভাৱৰ বাবে তেওঁৰ ব্যৱসায়ৰ স্বাভাৱিক বৃদ্ধি নিশ্চিতভাৱে প্ৰতিহত হয়। এই দিশৰ পৰা দেখা যায় যে ব্যৱসায় সংগঠনৰ আৰ্হি হিচাপে এজনীয়া ব্যৱসায় সংগঠন প্ৰসাৰণৰ সুবিধা থকা বহুত ধৰণৰ ব্যৱসায়ৰ কাম-কাজ কৰিবৰ বাবে উপযুক্ত নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ এজনীয়া ব্যৱসায়ৰ তিনিটা সুবিধা উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

প্রশ্ন নং ৩ঃ এজনীয়া ব্যৱসায়ৰ তিনিটা অসুবিধা উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

৩.৭ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় (CONCEPT OF JOINT HINDU FAMILY BUSINESS)

একক মালিকানাধীন ব্যৱসায়ৰ বিষয়ে আলোচনা কৰাৰ পিছত এইবাৰ আমি ভাৰতবর্ষত প্রচলিত যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বিষয়ে আলোচনা কৰিম। এই ধৰণৰ ব্যৱসায় সংগঠনত পৰিয়ালৰ সকলো সদস্য জড়িত হৈ থাকে। ব্যৱসায় আৰু পৰিয়ালৰ সম্পত্তিসমূহ পৰিয়ালৰ বয়োজ্যেষ্ঠজনে পৰিচালনা কৰে, যিজনক কর্তা (karta) বুলি কোৱা হয়। পূর্বপুৰুষৰ সম্পত্তিৰ ওপৰত সকলো সদস্যৰে সমান অধিকাৰ থাকে। সদস্যসকলক যৌথ উত্তৰাধিকাৰী বুলি কোৱা হয়। যৌথ উত্তৰাধিকাৰী হ'ল অধিকাৰীজনৰ ধাৰাবাহিক পুৰুষ সদস্যসকলৰ পৰৱর্তী তিনি পুৰুষ। অর্থাৎ সদস্যজন দেউতাক, ককাক আৰু আজুককাৰ পৰা বংশানুক্রমে লাভ কৰা সম্পত্তিৰ উত্তৰাধিকাৰী। যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় The Inome Tax Act, 1961ৰ দ্বাৰা অনুমোদিত আৰু Hindu Law (Succession) Act, 1956ৰ দ্বাৰা পৰিচালিত।

দুই ধৰণৰ ব্যৱস্থাই যৌথ হিন্দু পৰিয়ালৰ সদস্যতা নিয়ন্ত্রণ কৰে। এটা হ'ল দয়াভগা ব্যৱস্থা আৰু আনটো হ'ল মিথাখাচৰা ব্যৱস্থা। দয়াভগা ব্যৱস্থাটো পশ্চিমবংগত প্রচলিত আৰু এই ব্যৱস্থাত পুৰুষ আৰু মহিলা সকলোকে যৌথ উত্তৰাধিকাৰীৰ অধিকাৰ দিয়া হয়। মিথাখাচৰা ব্যৱস্থা ভাৰতৰ বাকী অংশত প্রযোজ্য। অকল পুৰুষ সদস্যক যৌথ উত্তৰাধিকাৰী হ'ব দিয়া হয়। দয়াভগা ব্যৱস্থাত জন্ম সূত্রে অধিকাৰ নাপায়। সেয়েহে দেউতাক জীয়াই থকাৰ সময়ত দেউতাক আৰু পুতেক যৌথ অধিকাৰী হ'ব নোৱাৰে। মিথাখাচৰা ব্যৱস্থাত পুতেকে জন্ম সূত্রে অধিকাৰ পায় আৰু দেউতাকৰ জীৱিত কালতে যৌথ অধিকাৰী হ'ব পাৰে।

৩.৮ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় (CHARACTERISTICS OF JOINT HINDU FAMILY BUSINESS)

(ক) গঠন ঃ এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰিবলৈ হ'লে পৰিয়াল এটাত মুঠ

দুজন সদস্য থাকিব লাগিব আৰু তেওঁলোকে পূৰ্বপুৰুষৰ সম্পত্তিৰ অধিকাৰী হ'ব লাগিব। ইয়াত কোনো ধৰণৰ চুক্তিৰ প্ৰয়োজন নহয় আৰু Hindu Law (Succession) Act, 1956ৰ অনুমোদিত।

(খ) **সদস্যতা ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত যৌথ হিন্দু পৰিয়ালৰ কেবল পুৰুষ সদস্যবোৰহে যৌথ উত্তৰাধিকাৰী হ'ব পাৰে। ই ইয়াকে বুজাই যে কেৱল পুৰুষ সদস্যইহে যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সদস্য হ'ব পাৰে। আনকি নাবালকো যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত সদস্য হ'ব পাৰে।

(গ) **দেনা ঃ** কৰ্তাজন পৰিয়ালৰ মুখ্য মানুহ হিচাপে তেওঁৰ দেনা অসীমিত আনকি তেওঁৰ ব্যক্তিগত সম্পত্তিও ব্যৱসায়ীক দেনা পৰিশোধৰ বাবে ব্যৱহাৰ হ'ব পাৰে। আন যৌথ উত্তৰাধিকাৰীসকলৰ দেনা তেওঁলোকৰ ব্যৱসায়ত থকা অংশৰ দ্বাৰা সীমিত।

(ঘ) **ধাৰাবাহিকতা ঃ** কৰ্তা বা আন কোনো সদস্যৰ মৃত্যুই যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ ধাৰাবাহিকতা হানি কৰিব নোৱাৰে। আইনী স্বত্বাধিকাৰীজনে মৃতজনৰ অংশৰ অধিকাৰী হয় আৰু কৰ্তাৰ মৃত্যুৰ ক্ষেত্ৰত পৰৱৰ্তী বয়োজ্যেষ্ঠ ব্যক্তিজন ব্যৱসায়ৰ কৰ্তন হয়। এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় সামুহিক চুক্তিৰ দ্বাৰা বা আদালতত ভাগ বতৰাৰ গোচৰ ৰুজু কৰি ভংগ কৰিব পাৰি।

(ঙ) **পৰিচালনা ঃ** কৰ্তাজন যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ মুখ্য ব্যক্তি হিচাপে ব্যৱসায় ওপৰত তেওঁৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰু অধিকাৰ থাকে আৰু তেওঁ তেওঁৰ ইচ্ছা অনুসৰি ব্যৱসায় পৰিচালনা কৰিব পাৰে। অন্য সদস্যসকলৰ ব্যৱসায় পৰিচালনাত হস্তক্ষেপ কৰাৰকোনো অধিকাৰ নাথাকে।

(চ) **মুনাফা বিতৰণ ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত সকলো যৌথ অধিকাৰীৰে ব্যৱসায়ৰ মুনাফাৰ সমান অংশ পোৱাৰ অধিকাৰ থাকে।

(ছ) **পঞ্জীয়ন ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় পঞ্জীয়ন কৰাতো বাধ্যতামূলক নহয়।

৩.৯ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা (MERITS OF JOINT HINDU FAMILY BUSINESS)

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধাসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(ক) **খৰতকীয়া সিদ্ধান্ত ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় পৰিচালনাত কৰ্তাজনৰ সম্পূৰ্ণ অধিকাৰ আছে। কোনো ধৰণৰ বাধা নোহোৱাকৈ কৰ্তাজনে ব্যৱসায়ৰ সিদ্ধান্ত ল'ব পাৰে।

(খ) **সীমাবদ্ধ দায়িত্ব ঃ** কৰ্তাত বাহিৰে আন যৌথ উত্তৰাধিকাৰীসমূহৰ দেনা তেওঁলোকৰ ব্যৱসায়ত অংশৰ পৰিমাণলৈ সীমাবদ্ধ। ই সদস্যসকলক ব্যৱসায়টো মুক্তভাৱে চলোৱাত সহায় কৰে।

(গ) **স্থিৰতা ঃ** যিহেতু যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত সদস্য বা কৰ্তাৰ মৃত্যুৱে ব্যৱসায়ৰ ধাৰাবাহিকতাত কোনো প্ৰভাৱ নেপেলাই । সেয়েহে, একক মালিকানাধীন বা অংশীদাৰী ব্যৱসায়ৰ তুলনাত ইয়াৰ স্থিৰতা বেছি।

(ঘ) **গোপনীয়তা ঃ** যিহেতু কৰ্তাজনে আন কোনো সদস্যৰ লগত আলোচনা নকৰাকৈ সকলো সিদ্ধান্ত ল'ব পাৰে। সেয়েহে, ব্যৱসায়ৰ লগত জড়িত তথ্য ফাদিল হোৱাৰ সম্ভাৱনা যথেষ্ট কম।

(ঙ) **আইনী আনুষ্ঠানিকতাৰ পৰা মুক্ত ঃ** বিশেষ আইনী আনুষ্ঠানিকতা নোহোৱাকৈ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰিব পাৰি। যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ পঞ্জীয়ন বাধ্যতামূলক নহয়।

৩.১০ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অসুবিধা (DEMERITS OF JOINT HINDU FAMILY BUSINESS)

যদিও যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বহুতো সুবিধা আছে, ইয়াৰ তলত উল্লেখ কৰা অসুবিধাসমূহো আছে—

(ক) **সীমিত সম্পদ ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত বিত্ত সংগ্ৰহৰ পৰিসৰ সীমিত। এনে ব্যৱসায়ৰ বিনিয়োগ পূৰ্বপুৰুষৰ পৰা পোৱা সম্পত্তিতে সীমাবদ্ধ। বেছি ভাগ ক্ষেত্ৰতে সদস্যসকলে ব্যক্তিগত মূলধন যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত বিনিয়োগ নকৰে।

(খ) **সীমিত পৰিচালনা দক্ষতা ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ পৰিচালনাৰ দায়িত্ব সম্পূৰ্ণৰূপে কৰ্তাৰ হাতত থাকে, যিজন ব্যৱসায়ৰ সকলো ক্ষেত্ৰতে পাৰ্গত নহ'বও পাৰে। তেনে ক্ষেত্ৰত ব্যৱসায়ত বিফলতা বা লোকচানৰ সম্ভাৱনা থাকে।

(গ) **কৰ্তাৰ অপৰিসীমা দেনা ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত ব্যৱসায়ৰ ঋণৰ বাবে কৰ্তাজন ব্যক্তিগতভাৱে দায়বদ্ধ। সেই কাৰণে কৰ্তাজনে কিছুমান সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰে যিয়ে ব্যৱসায়ৰ উন্নতিত বাধা জন্মায়।

(ঘ) **দায়িত্ব আৰু পৰিণামৰ সামঞ্জস্যহীনতা ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত কৰ্তাজনে ব্যৱসায় পৰিচালনা কৰে আৰু ব্যৱসায়ৰ সকলো বিপদশংকুলতা আৰু দায়িত্ব গ্ৰহণ কৰে। তেওঁ ব্যৱসায়ৰ দেনাৰ বাবে ব্যক্তিগতভাৱে দায়বদ্ধ কিন্তু এই সকলোবোৰৰ বাবে তেওঁক কোনো উপৰঞ্চি ধন দিয়া নহয়। অন্য যৌথ অধিকাৰীসকলৰ দৰে তেওঁ কেৱল তেওঁৰ লাভৰ অংশহে পায়।

(ঙ) **ক্ষমতাৰ অপব্যৱহাৰ ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় যিহেতু এককভাৱে কৰ্তাৰ দ্বাৰা পৰিচালিত, তেনে ক্ষেত্ৰত তেওঁ ক্ষমতাৰ অপব্যৱহাৰ কৰিব পাৰে। অন্যহাতে তেনে কাৰ্যই অন্য যৌথ অধিকাৰীসকলৰ মাজত কাজিয়াৰ সূত্ৰপাত কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰা।

(ক) .....

(খ) .....

(গ) .....

প্রশ্ন নং ৫ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ তিনিটা অসুবিধা উল্লেখ কৰা।

(ক) .....

(খ) .....

(গ) .....



৩.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি একক মালিকানাধীন ব্যৱসায় আৰু যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বিষয়ে আলোচনা কৰিলো। ইয়াত আলোচনা কৰা মূল বিষয়সমূহ হ'ল—

- এটা ব্যৱসায়ৰ গৰাকী আৰু পৰিচালনা যদি এজন ব্যক্তিৰ দ্বাৰা হয় তেনে ব্যৱসায়ক একক মালিকানাধীন ব্যৱসায় বোলা হয়।
- একক মালিকানাধীন ব্যৱসায়ৰ মূল বৈশিষ্ট্যসমূহ হ'ল— ইয়াৰ কোনো সুকীয়া আইনী সত্বা নাই। ব্যৱসায়ৰ মূলধন মালিকে নিজে যোগান ধৰে আৰু তেওঁ নিজে ব্যৱসায় পৰিচালনা কৰে।
- একক মালিকানাধীন ব্যৱসায় গঠন কৰিবলৈ সহজ, গোপনীয়তা ৰক্ষা কৰা সহজ আৰু সিদ্ধান্ত গ্রহণ কৰিবলৈ সহজ।
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত পৰিচালৰ সকলো সদস্য জড়িত হৈ থাকে।
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত পূর্ব পুৰুষৰ পৰা পোৱা সম্পত্তিত সকলো সদস্যৰে সমান অধিকাৰ থাকে আৰু সদস্যসকলক যৌথ অধিকাৰী (copercenery) বোলা হয়।
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় Income Tax Act, 1961ৰ দ্বাৰা অনুমোদিত আৰু Hindu Law (Sucession) Act, 1956 ৰ দ্বাৰা পৰিচালিত।



৩.১২ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৩.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (১) অশুদ্ধ। (২) শুদ্ধ। (৩) অশুদ্ধ (৪) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ (১) সহজে গঠন কৰিব পাৰি

(২) খৰতকীয়া সিদ্ধান্ত

(৩) ব্যৱসায়ৰ গোপনীয়তা সংৰক্ষণ

৩ নং প্ৰশ্নৰ উত্তৰঃ এজনীয়া ব্যৱসায়ৰ তিনিটা অসুবিধা—

(১) সীমিত মূলধন

(২) সীমিত দেনাৰ ভয়

(৩) ব্যৱসায়ৰ অনিশ্চয়তা

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) যৌথ পৰিয়ালৰ অকল পুৰুষ সদস্যইহে জন্মসূত্ৰে যৌথ উত্তৰাধিকাৰী হ'ব পাৰে।

(খ) পৰিয়ালৰ মুখ্য ব্যক্তি হিচাপে কৰ্তাজনৰ দেনা অপৰিসীম। আনকি ব্যৱসায়ৰ দেনা পৰিশোধ কৰিবলৈ তেওঁৰ ব্যক্তিগত সম্পত্তিও ব্যৱহাৰ হ'ব পাৰে।

(গ) কৰ্তা বা অন্য সদস্যৰ মৃত্যুৱে ব্যৱসায়ৰ ধাৰাবাহিকতাত ব্যাঘ্যাত জন্মাব নোৱাৰে।

৫ নং প্ৰশ্নৰ উত্তৰঃ (ক) যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বিত্ত সংগ্ৰহৰ পৰিসীমা সীমিত।

(খ) কৰ্তাৰ দেনা অপৰিসীম।

(গ) যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় এককভাৱে কৰ্তাৰ দ্বাৰা পৰিচালিত। তেনে ক্ষেত্ৰত তেওঁ ক্ষমতাৰ অপব্যৱহাৰ কৰিব পাৰে।



৩.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ একক মালিকানাধীন ব্যৱসায়ৰ বিষয়ে এটি টোকা লিখা।

প্ৰশ্ন ২ঃ একক মালিকানাধীন ব্যৱসায়ৰ সুবিধাসমূহ কি কি?

প্ৰশ্ন ৩ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৪ঃ যৌথ হিন্দু পৰিয়ালৰ অসুবিধাসমূহ কি কি?

*** ***** ***